# মধ্য কামৰূপ মহাবিদ্যালয়

শুভা, চেঙা, বৰপেটা, অসম -৭৮১৩০৫

## উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ, দ্বিতীয় বৰ্ষ আৰু স্নাতক প্ৰথম, তৃতীয়, পঞ্চম ষান্মাসিকৰ নামভৰ্তিৰ বাবে বিশেষ ঘোষণা

**ইয়াৰ দ্বাৰা মধ্য কামৰূপ মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক প্ৰথম, দ্বিতীয় বৰ্ষ (কলা) আৰু স্নাতক প্ৰথম, তৃতীয় আৰু পঞ্চম ষান্মাসিক (কলা) ২০২২-২৩ বৰ্ষৰ নামভৰ্তিৰ বাবে বাচনি তালিকাভুক্ত ছাত্ৰ-ছাত্ৰীসকলক জনোৱা হয় যে নিম্নোক্ত দিন আৰু নীতি সাপেক্ষে তেওঁলোকৰ নামভৰ্তি কৰিব লাগিব।**

অসম চৰকাৰৰ প্ৰজ্ঞান ভাৰতী আঁচনিৰ আধাৰত বিনামূলীয়া নামভৰ্তিৰ বাবে তলৰ চৰ্তসমূহ পূৰণ কৰিব লাগিব। (Government Notification No. AHE./254/2021/8 Dtd. Dispur, 6th September, 2021, Govt. Corrigendum No. AHE.354/2021/9 Dtd. 10-09-2021, Govt. Notification No. AHE.354/2021/11 Dtd. 13-09-2021 and PC/HE/Misc/42/2020/235 Dtd. 29-06-2022)

১। ছাত্ৰ-ছাত্ৰীসকলৰ পৰিয়ালৰ সৰ্বমুঠ বাৰ্ষিক আয় ২ লাখ টকাৰ কম হ'ব লাগিব।

২। যিসকল ছাত্ৰ-ছাত্ৰীৰ পিতৃ বা মাতৃ কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰ অথবা চৰকাৰী তথা অৰ্দ্ধ চৰকাৰী ৰাজহুৱা প্ৰতিষ্ঠানত কৰ্মৰত তেওঁলোকে এই আঁচনিৰ সুবিধা ল'ব নোৱাৰিব।

৩। এই আঁচনিৰ সুবিধা লাভৰ বাবে অসম চৰকাৰৰ ৰাজহ চক্ৰ বিষয়াৰ উপাৰ্জনৰ প্ৰমাণ পত্ৰ জমা দিব লাগিব।

৪। ছাত্ৰ-ছাত্ৰীগৰাকীৰ পিতৃ বা মাতৃ যে কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰ অথবা চৰকাৰী তথা অৰ্দ্ধ চৰকাৰী ৰাজহুৱা প্ৰতিষ্ঠানত কৰ্মৰত নহয় সেই কথাৰ লিখিত প্ৰতিশ্ৰুতি দিব লাগিব।

৫। এই অঁচনিৰ সুবিধা লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়ত Magazine Fees, Games Fees, Sports Fees, College week Fees জমা দিব লাগিব।

৬। ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয় চৌহদ অথবা নিজৰ ঘৰত এজোপা গছপুলি ৰোপন কৰিব লাগিব আৰু তাৰ ফটো মহাবিদ্যালয়ৰ ৱেবছাইটত আপলোড কৰাৰ লগতে নামভৰ্তিৰ সময়ত জমা দিব লাগিব আৰু গছপুলিটো সঠিকভাৱে প্ৰতিপালন কৰিব লাগিব। পৰৱৰ্তী বৰ্ষত নামভৰ্তিৰ সময়ত সেইদাল গছৰেই ফটো জমা দিব লাগিব। অন্যথা এই আঁচনিৰ সুবিধা লাভৰ পৰা বঞ্চিত হ'ব।

৭। ছাত্ৰ-ছাত্ৰীসকলে বাৰ্ষিক আয়ৰ প্ৰমাণ পত্ৰ মহাবিদ্যালয়ৰ ৱেবছাটত আপলোড কৰাৰ উপৰিও মূল প্ৰমাণ পত্ৰখন আৰু হাইস্কুল শিক্ষান্ত/উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত বৰ্ষৰ নম্বৰ তালিকা মহাবিদ্যালয়ত প্ৰদৰ্শন কৰাৰ পাছতহে তেওঁলোকৰ শ্ৰেণীৰ ৰোল নম্বৰবোৰ প্ৰাপ্ত হ'ব।

৮। সকলোধৰণৰ নামভৰ্তি কেৱল মাত্ৰ অনলাইন (Online) মাধ্যমতহে কৰা হ'ব।

৯। নামভৰ্তিৰ ধন মহাবিদ্যালয়ৰ ৱেবছাইটৰ মাধ্যমত Debit Card/Credit Card ৰ জৰিয়তে কৰিব পাৰিব।

১০। নামভৰ্তি সমিতিয়ে পৰিয়ালৰ বাৰ্ষিক আয় নিজাববীয়াকৈ অনুসন্ধান কৰি প্ৰমাণ পত্ৰ থকা স্বত্বেও কোনো ছাত্ৰ-ছাত্ৰীৰ এই আঁচনিৰ অন্তৰ্ভুক্তিৰ আবেদন নাকচ কৰিব পাৰিব।

১১। কেৱল মাত্ৰ নিয়মীয়া ছাত্ৰ-ছাত্ৰীসকলেহে (Without Back) এই সুবিধা গ্ৰহণ কৰিব পাৰিব।

| শ্ৰেণী | নামভৰ্তিৰ তাৰিখ | প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত বিনামূলীয়া নামভৰ্তিৰ বাবে দিবলগীয়া ধন | প্ৰজ্ঞান ভাৰতী আঁচনিৰ বাহিৰত নামভৰ্তিৰ বাবে দিবলগীয়া ধন | |
|---|---|---|---|---|
| | | | ল'ৰা | ছোৱালী |
| উঃ মাঃ ১ম বৰ্ষ | ৬-৯ জুলাই, ২০২২ | ৪৫০.০০ | ৪০২০.০০ | ৩৪২০.০০ |
| উঃ মাঃ ২য় বৰ্ষ | ১১-১৫ জুলাই, ২০২২ | ৪৫০.০০ | ৪০২০.০০ | ৩৪২০.০০ |
| স্নাতক ১ম ষান্মাসিক | ১৬ জুলাই, ২০২২ | ৪৫০.০০ | গুৰুপাঠ্যক্ৰমত<br>(ব্যৱহাৰিক পৰীক্ষাৰ সৈতে)<br>৪৯৪০.০০<br>(ব্যৱহাৰিক পৰীক্ষাৰ অবিহনে)<br>৪৭৪০.০০ | সাধাৰণ পাঠ্যক্ৰমত<br>(ব্যৱহাৰিক পৰীক্ষাৰ সৈতে)<br>৪৭২০.০০<br>(ব্যৱহাৰিক পৰীক্ষাৰ অবিহনে)<br>৪৬২০.০০ |
| স্নাতক ৩য় ষান্মাসিক | ১৮-১৯ জুলাই, ২০২২ | ৪৫০.০০ | | |
| স্নাতক ৫ম ষান্মাসিক | ২০-২১ জুলাই, ২০২২ | ৪৫০.০০ | | |

অধ্যক্ষ

মধ্য কামৰূপ মহাবিদ্যালয়, শুভা

This document was created with the Win2PDF “print to PDF” printer available at
http://www.win2pdf.com

This version of Win2PDF 10 is for evaluation and non-commercial use only.

This page will not be added after purchasing Win2PDF.

http://www.win2pdf.com/purchase/